# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-09-2025
**Time :** 1715 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

০০০০০

১। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলক অক্টোবৰত পূজাৰ বিশেষ ধন হিচাপে এহেজাৰ ৫০০ টকাকৈ প্ৰদানৰ বাবে মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত ৰাজনৈতিক দলৰ প্ৰতীক ব্যৱহাৰ নহ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচী ৰূপায়ণ নকৰিবলৈ নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ সকীয়নি।

*আৰু*

৪। এছিয়ান গেমছৰ শ্বুটিং প্ৰতিযোগিতাত অনন্ত জিৎ সিং নাৰুকা আৰু পৰিনাজ ধালিৱালৰ ব্ৰঞ্জৰ পদক অৰ্জন।

০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ বতৰত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে অক্টোবৰত নিয়মীয়া এহেজাৰ ২৫০ টকাৰ পৰিৱৰ্তে পূজাৰ বিশেষ ধন হিচাপে এহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে সদৰি কৰি কয় যে পূজাৰ বতৰত অসম চাহ নিগম লিমিটেডৰ সমূহ কৰ্মচাৰী আৰু চাহ শ্ৰমিকক ২০ শতাংশ বনাচ প্ৰদান কৰা হ'ব। তদুপৰি দুৰ্গা পূজা উপলক্ষে নিৰ্ধাৰিত বন্ধৰ ভিতৰত ১৮ অক্টোবৰ দিনটোত দেওবাৰ হোৱা বাবে ১৭ অক্টোবৰত চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট (চি এম)

ৰাজ্যিক মন্ত্ৰীসভাই অহা মাহৰ বাবে সুলভ মূল্যৰ দোকানত ৰাজসাহায্যযুক্ত চেনি আৰু মচুৰ দাইল ১০০ টকাত বিতৰণ কৰিবলৈ অনুমোদন জনায়। তদুপৰি মহিলা আত্ম-সহায়ক গোটৰ সদস্যাসকলৰ আধাৰ পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ বাবে ২০২৭ বৰ্ষৰ ৩১ মাৰ্চলৈ এককালীন ৰেহাইত অনুমোদন জনোৱা হয়।

ইপিনে, ৰাজ্যত উৎপাদিত মছলাৰ পৰীক্ষণ আৰু প্ৰমাণিকৰণৰ সুবিধা প্ৰদানেৰে ইয়াৰ বিপণন আৰু ৰপ্তানি সহজ কৰি তোলাৰ লক্ষ্যৰে গুৱাহাটীত মছলা পৰিষদৰ অত্যাধুনিক মছলা পৰীক্ষাগাৰ স্থাপনৰ বাবেও মন্ত্ৰীসভাই অনুমোদন জনায় বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে কামৰূপত ঔদ্যোগিক ক্ষেত্ৰ

স্থাপনৰ বাবে হাজো ৰাজহ চক্ৰৰ ৫০৪ বিঘা মাটি আবণ্টনৰ প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনাইছে। ড০ শৰ্মাই সমাগত মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বিষয়ে উল্লেখ কৰি কয় যে এই নিৰ্বাচনত ৰাজনৈতিক দলৰ প্ৰতীক ব্যৱহাৰ নহ'ব।

(বাইট-চি এম)

০০০০০

শিলচৰ পৌৰ নিগম নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাবলৈ ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আজি শিলচৰত উপস্থিত হৈছে। আজিৰে পৰা অহা ২৬ ছেপ্তেম্বৰলৈ সভাপতি শ্ৰীশইকীয়াই বিভিন্ন ৱাৰ্ডত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে সাংগঠনিক সভাত অংশগ্ৰহণ কৰিব। শিলচৰ পৌৰ নিগমৰ প্ৰথম নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিজেপিয়ে ইতিমধ্যে ৪২টা ৱাৰ্ডক কেন্দ্ৰ কৰি সাংগঠনিক আৰু প্ৰচাৰৰ প্ৰস্তুতি আৰম্ভ কৰিছে। দলটোৱে ৩৮টা ৱাৰ্ডত প্ৰাৰ্থী প্ৰক্ষেপ কৰি দুটা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাত জয়লাভ কৰিছে। দলীয় সূত্ৰই জনোৱা মতে এই মাহৰ শেষৰ ফালে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা শিলচৰত উপস্থিত হোৱাৰ কথা।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া ইতিমধ্যে সম্পন্ন হৈছে। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত দুয়োখন নিৰ্বাচনী জিলাৰ বাবে এই প্ৰক্ৰিয়া নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াত নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। উল্লেখযোগ্য যে ইভিএমসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ সংযোজন কৰা হৈছে আৰু নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাতে ভোটগ্ৰহণ কেন্দ্ৰভিত্তিক ইভিএমসমূহৰ পৃথকীকৰণৰ কাম চলি আছে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে।

নিৰ্বাচনী বিধি অনুযায়ী প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্বাচনী সভা-সমিতি, শোভাযাত্ৰা, সমাবেশ আদি কাৰ্যসূচী ৰূপায়ণ নকৰিবলৈ নগাঁও লোকসভা উপ-নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া আৰু জিলাখনৰ আয়ুক্ত আৰণ্যক শইকীয়াই সকিয়াই দিছে। আজি জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে এখন ৰাজহুৱা জাননীযোগে আগতীয়া অনুমতি অবিহনে বহুতো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচনী সভা আৰু সমাবেশ অনুষ্ঠিত কৰা পৰিলক্ষিত হৈছে বুলি জানিবলৈ দিয়ে। তেওঁ প্ৰাৰ্থীৰ হাতপুথিৰ নিয়ম আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুযায়ী যিকোনো ৰাজহুৱা বা ব্যক্তিগত স্থানত নিৰ্বাচনী সভা অনুষ্ঠিত কৰিবলৈ আগতীয়া অনুমতি লোৱাৰ বিষয়ত সকলো প্ৰাৰ্থী তথা তেওঁলোকৰ প্ৰতিনিধিসকলক সকিয়াই দিয়ে। তেওঁ কয় যে নিৰ্বাচনৰ আদৰ্শ আচৰণ বিধিৰ দ্বিতীয় অংশত এই বিষয়ে উল্লেখ আছে। এতিয়াৰে পৰা এই নিয়ম ভংগ কৰা কাৰ্যসূচী গ্ৰহণ কৰিলে বিধিসন্মতভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি শ্ৰীশইকীয়াই জানিবলৈ দিয়ে।

০০০০০

পৰ্যটকসকলৰ বাবে সুখবৰ কঢ়িয়াই বাৰিষা কালছোৱা পাৰ হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত ২০২৬-২৭ বৰ্ষৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প অহা ২ অক্টোবৰৰ পৰা মুকলি কৰা হ'ব। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ বন বিষয়া নিতীশ বড়োৱে আজি সংবাদ মাধ্যমৰ এই বিষয়ে প্ৰকাশ কৰে। তেওঁ জানিবলৈ দিয়া অনুযায়ী ৰাষ্ট্ৰীয় উদ্যানখনৰ দ্বিতীয় প্ৰৱেশদ্বাৰত এটা বৰ্ণাঢ্য কাৰ্যসূচীৰ জৰিয়তে চলিত বৰ্ষৰ বাবে উদ্যানখন

পৰ্যটকৰ কাৰণে মুকলি কৰি দিয়া হ'ব। পৰৱৰ্তী জাননী নিদিয়ালৈকে উদ্যানখন পৰ্যটকৰ বাবে খোলা থাকিব বুলি উল্লেখ কৰি শ্ৰীবড়োৱে এইদৰে কয়-

-বাইট-

০০০০০

কোকৰাঝাৰ জিলাৰ বিজ্ঞান মহাবিদ্যালয়ত আজি চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ বৰপেটা ৰ'ডৰ আঞ্চলিক কাৰ্য্যালয়ত কৃষি ঋণ শিবিৰৰ আয়োজন কৰা হয়। এই কাৰ্য্যসূচীত ৰাজ্যখনৰ ১৩ খন জিলাৰ ৫০০ৰো অধিক মহিলা আত্ম-সহায়ক গোটৰ সদস্য আৰু উদ্যোগীৰ মাজত প্ৰায় ৩১ কোটি টকাৰ ঋণ অনুমোদন পত্ৰ বিতৰণ কৰা হয়।

০০০০০

এছিয়ান গেমছৰ শ্বুটিং প্ৰতিযোগিতাত আজি মিস্কড্ স্কীট টীম শিতানত অনন্ত জিৎ সিং নাৰুকা আৰু পৰিনাজ ধালিৱালে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে এই শিতানত ভাৰতৰ এইটোৱেই প্ৰথম এছিয়ান গেমছৰ পদক। ইফালে, কাবাডীত ভাৰতীয় পুৰুষ দলটোৱে গ্ৰুপ-এৰ চূড়ান্ত খেলত চীনক ৩৭-২১ ফলাফলত হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। গ্ৰুপ পৰ্যায়ত এইবাৰৰ সৈতে ভাৰতে চতুৰ্থ বাৰলৈ জয়লাভ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে দক্ষিণ কোৰিয়া, জাপান আৰু বাংলাদেশক পৰাজিত কৰিছিল। ১৯৯০ চনৰে পৰা কাবাডীত এছিয়ান গেমছত অন্তৰ্ভুক্ত হৈছে আৰু ভাৰতীয় পুৰুষ দলটোৱে ৮টা সোণৰ পদকসহ মুঠ ৯টা পদক লাভ কৰিছে। আনহাতে, ভাৰতীয় মহিলা দলটোৱে জয়ৰ ধাৰা অব্যাহত ৰাখি ইৰানক ৩৭-২৩ ৰ ফলাফলত পৰাজিত কৰে। মহিলা দলটোৱে ইয়াৰ পাছত জাপানৰ সৈতে মুখামুখি হ'ব।

০০০০০

সমাপ্ত